সুধিব লাগিব। চুলিবোৰ টৌ-খেলোৱা, কঁকালৰ তললৈ বৈ পৰা। সীতাক চাই চাই মই ইমানেই বিভোৰ হৈ আছিলোঁ যে ৰাৱণে সীতাক হৰণ কৰি নিওঁতে মই চিঞঁৰি দিছিলোঁ—সীতা...। হৰ্ষিতে মোক টানি দিয়াতহে গম পাইছিলোঁ। সি কৈছিল—ঐ গৰু ... এইটো ভাওনাহে! ব'ল এতিয়া শুই থাকগৈ। শুই শুই সীতাৰ কথা ভাবি থাকিবিগৈ। ৰাতিপুৱাৰ সময়ত শুলোঁ যদিও মোৰ সীতাৰ চিন্তাত টোপনি নাহিল। হৰ্ষিতক ভালকৈ সুধিব লাগিব। সীতাৰ ঠিকনা বিচাৰিব লাগিব। সীতাৰ অৱয়ব মোৰ বুকুত বহি ৰ'ল।

কালিলৈ ৰাতিপুৱাৰ ৰে'লত আমিতো যাবই লাগিব। গতিকে লাজ-মান কাতি কৰি আজি হৰ্ষিতক সীতাৰ ঘৰটো কোন ঠাইত সুধিব লাগিব। দুপৰীয়াৰ ভাত খোৱাৰ পাছত আমি দুয়োটাই বিছনাত জিৰণি লৈছোঁ। হৰ্ষিতক চিধাই সুধিলোঁ।

"সীতাৰ ঘৰটো কোনখিনিতনো?"

হৰ্ষিতে ক'লে—"বাঃ সীতাকচোন তোৰ মনত বহুৱাই ল'লি নহয়? মইহে ভাবিছিলোঁ! পিছে ... বাৰু ৰহ। ময়ো নাজানো তাইৰ ঘৰ কোনটো; ভণ্টিক মাতি সোধোঁ ৰহ। এই ভণ্টি, ভণ্টি পানী এগিলাচ লৈ আহচোন।" হৰ্ষিতৰ ভনীয়েক চিমিয়ে পানীগিলাচ দিওঁতে হৰ্ষিতে ক'লে—"ভণ্টি, সীতা লোৱা ছোৱালীজনীৰ ঘৰ ক'ত অ'?"

চিমিয়ে খিট খিটকৈ হাঁহি হাঁহি ক'লে—"কি হ'ল তোৰ পছন্দ হৈছে নেকি?"

"কিয় নহ'ব? ইমান ধুনীয়া ছোৱালীজনী ... পিছে মোৰ নহয় অ' আন এজনৰহে।"

মই লাজত তাৰ পিঠিত ঢকা এটা মাৰি দিলোঁ। চিমিয়ে ক'লে—"বাৰু তেনেহ'লে আবেলি সৰু দাদাৰ হতুৱাই মতাই আনিম" বুলি তাই হাঁহি ৰখাব নোৱাৰি লৰ মাৰিলে।

সন্ধিয়াৰ আগে আগে আমাৰ দুয়োটাকে চিমিয়ে ড্ৰইং ৰুমলৈ মাতি নিলে। তাৰ পাছতে হৰ্ষিতৰ ভায়েকৰ লগত ধুনীয়া পিলপিলিয়া ৰঙা-বগা দাড়ি-গোফ খুৱাই থোৱা ল'ৰা এটা সোমাই আহিল। চিমিয়ে ক'লে—"অনুপমদা এয়া সীতা। পৰহি যে ভাওনা হৈছিল, এইজনীয়ে সীতা।"

মোৰ মনটো আকৌ এবাৰ নিমখ দিয়া কুমজেলেকুৱাৰ দৰে কোঁচ খাই গ'ল। গোটেইগাল হাঁহিত ফাটি পৰিল। লাজত মই সীতা পাতাললৈ সোমোৱাৰ দৰেই সোমাই যাবৰ মন গৈছে। হৰ্ষিত হাঁহি হাঁহি বাগৰি পৰিছে। চিমিয়ে ক'লে—"এওঁৰ নাম হ'ল দিব্যজ্যোতি মহন্ত। সকলোৱে দিব্য বুলি মাতে। আমাৰ সৰুদাৰ লগৰ।" যোৰহাটলৈ যোৱা ৰে'ল থকা হ'লে মই এতিয়াই গুচি গ'লোঁহেঁতেন। আকৌ এবাৰ সৰুতে আইতাই কোৱা চেংচুলিলৈ মনত পৰি গ'ল। আজিকালিতো ছোৱালীয়ে ছোৱালীৰ ভাও লয়। ল'ৰাও যে সাইলাখ ছোৱালী হয় ভাবিব নোৱাৰি ....। "বাৰু দিব্য, বহা দেই" বুলি হৰ্ষিতক টানি লৈ বাহিৰলৈ ওলাই গ'লোঁ। হৰ্ষিতক খং কৰিলোঁ। "অ'ই তই ছালা মোক কিয় আগতে নক'লি?" সি ক'লে—"হেৰ' মই নিজেই গম নাপাওঁ।"

সীতাৰ অৱয়বটোৱে মোৰ মনৰ ভিতৰখন লাহে লাহে ছানি ধৰিলে। দিব্যলৈ মনত পৰিলে কিবা ভাল নলগা হয়। তথাপি আকৌ সীতাৰ কথায়ে আহি থাকোঁ আৰু আজি সঁচাসঁচি সীতাজনীক পাই যাম বুলি সপোনতো ভবা নাছিলোঁ। কোৱা শুনো মাজুলীৰ ছোৱালীবোৰ বৰ ধুনীয়া। কথাটো সঁচা তেনেহ'লে ...।

মাহীৰ ঘৰত দুৰাতি থাকিলোঁ। কিমান যে খোৱা-বোৱা আৰু মৰমৰ অত্যাচাৰ চলিলে ভাবিব নোৱাৰি! মাহীয়ে বিয়াৰ কথা কৈ কৈ মোৰ কাণ ঘোলা কৰি দিলে। মাহীয়ে ক'লে—"অনু বাইদেউ ভাগৰি গ'ল বোলে তোক বিয়াৰ কথা কৈ কৈ। কিমান যে ভাল ভাল ছোৱালী তোলৈ দিছে, তই বাৰু কিয় সন্মতি নিদিয়? এইবাৰ কিন্তু মোক দায়িত্ব দিছে দেই! তোক আমাৰ ইয়াত দুজনীমান ছোৱালী দেখুৱাম, তই চাব লাগিব।" মই কিন্তু মাহীক ছোৱালী এজনীৰে এঠাইত কথা পাতিছোঁ বুলি ক'লোঁ আৰু 'আপোনাক কেইদিনমানৰ পাছত জনাম' বুলি ক'লোঁ। মাহীয়ে শুনি বৰ ভাল পালে। এই দুদিনৰ ভিতৰতে মই ভুঞাদাক ফোন কৰি মোৰ মনৰ কথা জনাইছিলোঁ। ভুঞাদাই নিশিতাহঁতৰ ঘৰৰ লগত কথা-বতৰা পাতিছিল। মই যোৰহাটলৈ গুচি আহিলোঁ। মাহঁতক সকলো কথা জনালোঁহি। ভুঞাদাৰ লগত মোৰ যোগাযোগ চলি থাকিল।

নিশিতাহঁতৰ ঘৰৰপৰা সেউজ সংকেত পোৱাৰ পাছত মাহঁতক লৈ এদিন নিশিতাহঁতৰ ঘৰলৈ ওলালোঁ। সিফালৰপৰা মাহীহঁতো আহিল। ভুঞাদাক হোটেলৰপৰা লৈ ল'লোঁ। তেওঁলোকৰ ঘৰতো পৰিয়ালৰ সকলো মানুহ সাজু হৈয়ে আছিল। চিনাকি পৰ্বৰ পাছতে নিশিতা ওলাই আহিল কাঁহৰ বটা এটা লৈ। সকলোলৈকে আগবঢ়াই দিলে। কাষৰ চকী এখনত মোৰ মায়ে বহিবলৈ ক'লে। সকলোৱে তাইলৈ থৰ হৈ চালে। মেৰুন ৰঙৰ মিচিং কাপোৰযোৰে ষ্ট্ৰেট কৰা দীঘল চুলিকোছাৰে তাইক তুলি ধৰিছে। মোৰ চকু ছাট মাৰি ধৰিছে। সকলোৱেই মোক জোকাবলৈ ধৰিলে। মাহীয়ে ক'লে—"এতিয়াহে বুজিলোঁ; নাওখনত অলপ সময় দেখিয়েই কিয় ইয়াৰ বিয়া কৰাবলৈ মন লৰিল। আমিতো অতদিন হাৰি গ'লোঁ ...।" দুয়ো পক্ষৰে অসন্মতিৰ কোনো কাৰণেই নাই। মাজুলীৰ আঠা দৈৰ জলপানৰ পৰ্ব শেষ হোৱাৰ পাছত সকলো বহি বিয়াৰ বাবে আলোচনা কৰিলে। মই দুমাহৰ ছুটীত আহিছোঁ, গতিকে ইয়াৰ ভিতৰতে দিন-বাৰ চাই বিয়া হ'ব লাগিব। ব্ৰহ্মপুত্ৰৰ আৰি মাছ আৰু চিতল মাছেৰে সকলোৱে তৃপ্তিৰে ভাত খালে। ফেৰি পাৰ হ'ব লাগিব। গতিকে মাহীয়ে ক'লে—"আমাৰ কাৰো একো আপত্তি নাই, তথাপি ল'ৰা আৰু ছোৱালীয়ে আছুতীয়াকৈ অলপ কথা-বতৰা হ'লে ভাল হয়।" নিশিতাৰ ভনীয়েকে মোক এটা কোঠালৈ মাতি লৈ গ'ল। নিশিতাকো তাই টানি নি মোৰ ওচৰত বহুৱাই দিলে। মই এপলকো নোৰোৱাকৈ তাইৰ চকুলৈ চাই ক'লোঁ—"তোমাক সিদিনা ফেৰিখনত প্ৰথম দেখিয়ে মোৰ কি জানো ... ভাল লাগি গ'ল। ভাবিছিলোঁ তুমি নাৱৰপৰা নমাৰ পাছত চিনাকি হৈ তোমাক ঘৰত নমাই দিম; কিন্তু তোমাৰ দাদা বৈ আছিল বুলি জনা নাছিলোঁ। তুমিও কিন্তু আঁৰ চকুৰে মোলৈ চোৱা দেখিছিলোঁ পিছে ...।" তাই লাজত গোটেইজনী ৰঙা পৰি গ'ল। নিশিতাই ক'লে—"মই পিছে আচৰিত হৈছোঁ! আপুনি মুম্বাই চহৰত থাকি এজন ডাঙৰ ইঞ্জিনিয়াৰ হৈ যে এই নদীৰ মাজৰ দ্বীপটোত ছোৱালী বিচাৰি পালেহি, তাকো অলপ সময় আঁতৰৰপৰা দেখি।"

"তুমি নুবুজিবা নিশিতা, মই মনৰ মাজত এখন ছবি সদায় কঢ়িয়াই ফুৰোঁ। আৰু সেই ছবিখন হুবহু তোমাৰ লগত মিলি গ'ল। আৰু কি জানা, প্ৰকৃতিখনৰ বিনন্দীয়া ৰূপে মোক বৰ আকৰ্ষণ কৰে। সৰুৰপৰাই প্ৰকৃতিক ভাল পাবলৈ শিকিছোঁ। কৃত্ৰিমতা মই ভাল নাপাওঁ। ভগৱানে হয়তো এইবাৰ সুদৃষ্টি দিছে। কথাটো তেনেই সহজ। এতিয়া পিছে সময় কম। মোৰ মনৰ ছবিখনৰ কাৰণটো তোমাক বিয়াৰ পাছত বুজাই দিম। এতিয়া কোৱা। তোমাৰ কিবা আপত্তি কৰিব লগা আছে নেকি?"

"মোৰ আপত্তি তেনেকুৱা নাই, কাৰণ সৰুৰেপৰা মা-দেউতাৰ কথামতে ডাঙৰ হোৱা। তথাপি কিন্তু মোৰ এটা কথা ক'ব লগা আছিল।"

"বছ বছ হ'ব! তোমাৰ যেতিয়া বিয়াখনত একো আপত্তি নাই, এতিয়া আৰু মই একো নুশুনো।" অনুপমে নিশিতাৰ হাতখন ধৰি ক'লে।

"তোমাৰ, মোৰ, কি কথা আছে আমি বিয়াৰ পাছতহে ভাগ-বতৰা কৰিম। প্লিজ এতিয়া একো নক'বা।"